
# বন্য কোন ?



মানস প্রতিম দত্ত




# বন্য কোন?

মানস প্রতিম দত্ত

**বন্য কোন?**

মানস প্ৰতিম দত্ত

**প্ৰথম প্ৰকাশ:** লকডাউন, এপ্ৰিল ২০২০

**গ্ৰন্থস্বত্ব:** লেখক

**প্ৰচ্ছদ সজ্জা:** অশ্বিনী কোঁৱৰ

**ভিতৰৰ ফটো:** হোমেন শইকীয়া, ইণ্টাৰনেট

**শেষপৃষ্ঠাৰ ছবি:**গৌতম তাঁতী

**মূল্য:** অমূল্য

আকৌ
ধোঁৱাৰ মাজেদি উৰি গ'ল চৰাইটো
জলাশয়টোত ককবকাই সেইটো কাৰ
মাত

**নীলমণি ফুকন**

**কৃতজ্ঞতা:**

সৌম্যদ্বীপ দত্ত, নৱ কুমাৰ চমুৱা

দিব্যলতা দত্ত, বৈদ্য ব্ৰাইট বুঢ়াগোহাঁই

যুগল সন্দিকৈ, গিৰীণ কছাৰী

দেউতা, ভাইটি, মাডাম বা, তৃষ্ণা

দেৱব্ৰত, অশ্বিনী আৰু সমুজ্জ্বল।

**অৰ্পণ**

যাৰ বাবে আমি উশাহ ল'ব পাৰিছোঁ

সেই প্ৰকৃতিৰ হাতত.....



# প্ৰকৃতিৰ বাবে আমি কি কৰিব পাৰোঁ


পৰিৱেশক ভাল পাবলৈ আমি পৰিৱেশ নৈতিকতা শব্দটোৰ সৈতে চিনাকি হ'ব লাগিব। পৰিৱেশ নৈতিকতা বাক্যাংশটো পৰিৱেশ আৰু  দুটা শব্দৰে গঠিত - পৰিৱেশ আৰু নৈতিকতা। পৰিৱেশৰ সংজ্ঞা আমি সকলোৱে জানো নহয়নে?  আমাৰ চৌপাশে থকা জীৱ-জন্তু সকলোকে একেলগে পৰিৱেশ বুলি কোৱা হয়।  আনহাতে নৈতিকতা শব্দটো আহিছে ethos শব্দৰ পৰা, যাৰ অৰ্থ হৈছে কিছুমান নীতি আৰু আচৰণবিধি যাৰ জৰিয়তে নীতি-নিয়ম, আচাৰ-ব্যৱহাৰ আদিৰ প্ৰতি দায়বদ্ধ হ'ব পাৰি। গতিকে পৰিৱেশ নৈতিকতা হ'ল পৰিৱেশ আৰু আমাৰ মাজত থকা সম্পৰ্কৰ বোধ।



পৰিৱেশ সংৰক্ষণৰ বাবে কেৱল আইন কৰিয়েই ইয়াক সংৰক্ষিত কৰি তোলা অসম্ভৱ। আমি যেতিয়া বিভিন্ন পুৰণি কাহিনী শুনো, ধাৰাবাহিক চাও তেতিয়া দেখো যে সেই সময়ৰ মানুহবোৰে গছ-গছনিক পূজা-অৰ্চনা কৰিছিল, গছৰ তলত শিক্ষস প্ৰদান কৰিছিল। অৰ্থাত সেই সময়ৰ মানুহৰ মনত পৰিৱেশ সচেতন মনোভাৱ আছিল। এই পৃথিৱীৰ সবাতোকৈ মৰমীয়াল সৃষ্টিয়েই হৈছে প্ৰকৃতি।



আমি জীয়াই থাকিবলৈ প্ৰয়োজন হোৱা সকলো সমল পৰিৱেশে যোগান ধৰে। তাৰমানে এইটো নহয় যে মানুহক যোগান ধৰিবলৈ প্ৰকৃতিত বহু পৰিমাণে সম্পদ আছে।



কেৱল অৰ্থনৈতিক উন্নয়নৰ বাবে মানুহে পদে-পদে প্ৰাকৃতিক সম্পদ ধ্বংস কৰি আহিছে । এই ধ্বংসকামী আমি মানুহখিনিয়ে এই কথা পাহৰি পেলাইছো যে ভাল পৰিৱেশত জীয়াই থকাটো আমাৰ যেনেকৈ অধিকা তেনেদৰে প্ৰকৃতিও সুস্থ ভাৱে

জীয়াই ৰখাটো আমাৰ দায়িত্ব। সুস্থ প্ৰকৃতিয়েহে আমাৰ ভৱিষ্যত প্ৰজন্মক সুৰক্ষিত কৰি ৰাখিব।



গতিকে, পৰিৱেশ সুৰক্ষিত কৰি ৰখাটো আমাৰ নৈতিক দায়িত্ব। এই নৈতিক দায়িত্ব সূচাৰুৰূপে পালন কৰিবৰ বাবে আমি সদায় নিজকে সাজু কৰি ৰখা উচিত। আমি মনত ৰখা উচিত-

১/ মানুহ প্ৰকৃতিৰ এক অংশহে।

২/প্ৰত্যেক জীৱ মানুহৰ দৰেই মূল্যৱান

৩/প্ৰকৃতিবিহীন সমাজত জীয়াই থকা অসম্ভৱ।

৪/ কেৱল নিজৰ উন্নতিৰ বাবে চিন্তা কৰাৰ সমান্তৰালকৈ প্ৰকৃতিক শক্তিশালী কৰিবলৈ চিন্তা কৰা উচিত।

আমি নিজক সোধা উচিত-

- ৰাতিপুৱাৰে পৰা গধূলিলৈকে আমি ব্যৱহাৰ কৰা সামগ্ৰীসমূহ ক'ৰপৰা আহে?
- প্ৰকৃতিৰ লগত মোৰ সম্পৰ্ক কি?
- প্ৰকৃতি নহ'লে আমাৰনো কি হ'ব?
- গছবোৰ নহ'লেনো কি হ'ব?
- প্ৰাণীবোৰ ক'ত থাকে?
- মই পৃথিৱীত জন্ম হ'লোনো কিয়?
- মই জন্ম নোহোৱা হ'লে কি লাভ বা লোকচান হ'লহেতেঁন?

এই সকলোবোৰ প্ৰশ্নৰ উত্তৰ বিচাৰি চাবাচোন। তেতিয়াই আমি আমাৰ দায়বদ্ধসমূহ বুজি পাম।






# বন্য কোন?

## ঘৰৰ মানুহ নে হাবিৰ পশু

সামাজিক পৰিমণ্ডলৰ পাৰ্থক্যগত কাৰণ থাকিলেও মানুহ আৰু বন্যপ্ৰাণীক সামাজিক পৰিমণ্ডলৰ ভিতৰতে ধৰিব পাৰি। প্ৰায় ২ মিলিয়ন বছৰৰো অধিক কাল মানুহে এই পৃথিৱীত বসবাস কৰি আছে। অথচ প্ৰকৃতিৰ সৈতে সহাৱস্থানৰ ধাৰণাটোৰ সৈতে একাত্ম হ'ব পৰা নাই। সহাৱস্থানৰ বিপৰীতে গণ উন্মাদনাৰ ফলত সম্প্ৰতি বন্য জীৱকুলৰ পৰিমাণ প্ৰায় ৬০% হ্ৰাস পাইছে। কেৱল মাত্ৰ মানুহৰ 'মানৱীয় প্ৰবৃত্তি'ৰ বাবেই যোৱা ১৯৭০ চনৰ পৰা ২০১৪ চনলৈকে আমি প্ৰায় ৬০% বন্যপ্ৰাণী হেৰুৱাবলগীয়া হোৱাটো অতিকে দুৰ্ভাগ্যজনক কথা।



পৃথিৱীৰ বৈচিত্ৰৰ প্ৰতি অহা এই ভাবুকিৰ কথা প্ৰকাশ পাইছে WWFৰ Living Planet Report 2018, a stining reminder of the detecting health of Planet'ত। প্ৰত্যেক দুবছৰৰ অন্তৰত WWFৰ দ্বাৰা প্ৰকাশিত জীৱ-বৈচিত্ৰ্য, প্ৰাকৃতিক সম্পদৰ সুৰক্ষা আৰু বন্যপ্ৰাণীৰ সুৰক্ষাক সাঙুৰি লোৱা হয়। অন্যবাৰৰ প্ৰতিবেদনৰ তুলনাত এই বছৰৰ প্ৰতিবেদনৰ তথ্য অতি ভয়ংকৰ। আমাজনত সংঘটিত বনজুইৰ ঘটনাই আমাৰ দৃষ্টি আমাজনৰ ফালে আকৰ্ষিত কৰিছে যদিও আমাৰ অজ্ঞাতেই বিগত ৫০ বছৰত অমাজনে হেৰুৱাইইক প্ৰায় ২০% সম্পদ। ১৫০০ খ্ৰীষ্টাব্দৰ পৰা বৰ্তমানলৈকে বিলুপ্ত হোৱা ৭৫% সম্পদ কৃষি কাৰ্য বা অন্যান্য কামৰ বাবে হোৱা ধ্বংসৰ বাবে আমি হেৰুৱাইছো। এনেধৰণৰ সম্পদীয় অৱক্ষয়ৰ ফলত মহাসাগৰৰ পৰা আম্লীকৰণ গুণ শেষ হোৱাৰ সম্ভাৱনাও দেখা গৈছে।



যোৱা ৩০ বছৰত পৃথিৱীয়ে ইয়াৰ অগভীৰ জলৰাশিৰ ৫০% প্ৰবাল হেৰুৱাইছে বুলি অনুমান কৰা হৈছে। প্ৰতিবেদনখনৰ মতে, প্ৰত্যেক ১০ বছৰত ১০০ বিলিয়ন টন কাৰ্বন নিৰ্গমন কৰাৰ বাবে মূল দায়ী কিন্তু মানুহেই। ২০১৮ বৰ্ষৰ এপ্ৰিল মাহত $Co_2$ স্তৰে প্ৰায় গড়ে ৪১oppm চুইছিলগৈ। পৃথিৱীৰ মাত্ৰ ২৫% ভূমিহে মানুহৰ ক্ৰিয়াকাণ্ডৰ পৰা মুক্ত হৈ আছে।



জীৱ সম্প্ৰদায়ৰ প্ৰতি অহা এনে ভাবুকি প্ৰতিহত কৰাৰ উদ্দেশ্যে WWF আৰু অন্যান্য দিশৰ প্ৰতি চকু ৰাখি এক বিশ্বব্যাপ্ত চুক্তি কৰাৰ বাবে আহ্বান জনাইছে। WWFএ প্ৰায় ৪০খন বিশ্ববিদ্যালয়ৰ লগতে অন্যান্য সংগঠনৰ সৈতে লগ লাগি এই

সংকটৰপৰা মুক্ত কৰি পৃথিৱীখন সুস্থিৰ কৰিবলৈ গৱেষণামূলক অধ্যয়নৰ প্ৰচেষ্টা হাতত লৈছে।

সমগ্ৰ বিষয় আৰু প্ৰতিবেদনৰ ওপৰত ভিত্তি কৰি WWFৰ সঞ্চালক মাৰ্ক লেম্বাৰটিনিয়ে কৈছে – 'Today, we still have a choice. We can be the founders of of a global movement that changed our relationships with the plant. Or can be the generations that had its chance and failed to act. The choice is ours.'





এই প্ৰতিবেদনৰ ওপৰত ভিত্তি কৰি যদিহে আমি চাওঁ, সাম্প্ৰতিক সময়ত আমাৰ অজ্ঞাতে বন্যপ্ৰাণীৰ সংখ্যা হ্ৰাস পাবলৈ আৰম্ভ হৈছে। নগৰীকৰণ, ঔদ্যোগীকৰণৰ নামত বনধ্বংস যজ্ঞ আৰম্ভ হৈছে। ফলত সৃষ্টি হৈছে 'তথাকথিত বন্যপ্ৰাণী আৰু মানুহৰ সংঘাত।' আমি যদি সংঘাত শব্দটোৰ বিশ্লেষণ কৰিবলৈ চাওঁ তেতিয়া দেখা পাওঁ যে সংঘাত একে শ্ৰেণীৰ, একে পৰ্যায়ৰ প্ৰাণীৰ মাজতহে **সম্ভৱ।প্ৰকৃতিৰ** তুলনাত মানুহ ইমানেই নিশকতীয়া যে ইয়াৰ বাবে সংঘাতৰ পৰিৱৰ্তে 'সংকট' শব্দটো ব্যৱহাৰ কৰাহে সমীচিন।ভাৰত-ভূটান সীমান্তত প্ৰায়ে 'হাতী-মানুহৰ সংঘাত'ৰ বাতৰি শুনা যায়। হাতী-মানুহৰ এই সংকটৰ ফলত উভয় পক্ষৰে ক্ষতি হৈছে। সৌ সিদিনা এটা বন্যহস্তী আহি মানুহ মাৰিছে। হাতীৰ নাম দিয়া হৈছে 'লাডেন'। লাডেন বিশ্বত্ৰাসী সন্ত্ৰাসবাদী। **লাডেনৰ** সৈতে হাতীটোৰ নামকৰণ গ্ৰহণযোগ্য নহয়। হাতীটো কিয় মানুহৰ মাজলৈ আহিবলগীয়া হ'ল সেইকথা আমি ভবা উচিত। ইয়াৰ বিপৰীতে সেই স্থানৰ আবাসীসকলৰ প্ৰতিও আমি নিৰপেক্ষ দৃষ্টি ৰাখি যদি


কথাখিনি বিশ্লেষণ কৰো তেন্তে দেখা পাওঁ যে এই সংকটৰ বাবে মূল পদক্ষেপ ল'ব লাগিছিল বনবিভাগে। এই সংকট নিয়ন্ত্ৰণৰ ক্ষেত্ৰত কিন্তু বনবিভাগৰ প্ৰয়াস প্ৰায় শূন্য।




বন্যপ্ৰাণীৰ প্ৰতি মানুহৰ জিঘাংসা এনে এক পৰ্যায় পাইছেগৈ যে 'বাঘ চাবলৈ' 'বাঘ মাৰিবলৈ' যাঠি-জোং লৈ 'জনজাগৰণ' নামৰ 'ত্ৰাস' সৃষ্টি কৰাতহে এচাম উঠি পৰি লাগে। ২০০০ চনৰ পৰাই এনেধৰণৰ বাতৰিসমূহ আমি কাকতে পত্ৰই দেখি আহিছো।




বন্যপ্ৰাণীসমূহে অৰণ্য এৰি জন-অৰণ্যৰ মাজত সন্ত্ৰাস সৃষ্টি কৰিছে। আন কোনোবাই আকৌ অকালতে মৃত্যুক সাৱটি লৈছে। কাৰণ বন্যপ্ৰাণীৰ ‘অনাধিকাৰ প্ৰৱেশ’ৰ প্ৰতি সষ্টম আমাৰ ‘মানুহ সমাজ’ৰ একাংশ । অতি সম্প্ৰতি কাৰ্বনৰ অত্যাধিক বৃদ্ধিৰ বাবে দায়ী কোন? প্ৰশ্নটো আমি নিজকে নিজে কৰি চোৱা উচিত ।



ফৰলেনৰ নামত গছ-গছনি কাটি বাট-পথ বনোৱা মানেই জানো প্ৰগতি, উন্নয়ন! উন্নয়ন প্ৰকৃতিক সুৰক্ষিত ৰাখিও কৰা সম্ভৱ। ইয়াৰ বাবে লাগে ইতিবাচক মনোভাৱ। কেৱল প্ৰযুক্তিগত উন্নয়ন আৰু ব্যক্তিস্বাৰ্থৰ বাবে বন্যপ্ৰাণী হত্যা , বনধ্বংস আদিৰ দৰে কাৰ্যই আমাৰ গড় আয়ু নিচেই কম কৰি তুলিছে। জনজীৱন আৰু প্ৰকৃতি সুৰক্ষাৰ জৰিয়তে বহনক্ষম বিকাশৰ ধাৰণাক প্ৰসাৰ নঘটালে আমি হয়তো নিজক পৰিচয় দিব লাগিব - বন্য বুলিহে।



ইয়াৰ উপৰিও আমি সাধাৰণতে ব্যৱহাৰ কৰা ‘পশুত্ব’ ‘পাশৱিক’ আদি শব্দৰ ব্যৱহাৰো বহু সময়ত গ্ৰহণযোগ্য নহয়। এই সম্পৰ্কে ৰূপম বৰুৱাই লিখিছে – ‘পিছে আমাৰ সাধাৰণ মগজুৰ বৃদ্ধি-বৃত্তিৰে চিন্তা কৰি দেখোন দেখিছোঁ বেয়া অৰ্থত ‘পাশৱিক’ শব্দটো ব্যৱহাৰ কৰি আচলতে গৰ্হিত কামফেৰা কৰো আমিয়েই।’



‘পাশৱিক’ শব্দৰ এনে ব্যৱহাৰ আচলতে মানুহৰ ভণ্ডামিৰ উৎকৃষ্ট নিদৰ্শনহে। পশু আৰু মানুহৰ চিন্তাৰ তুলনা কৰি চাওঁচোন । পশুৱে জানো মানুহৰ দৰে অকাৰণতে হত্যা কৰে? খাদ্যৰ বাবে, বিৰক্ত হ’লে নাইবা আত্মৰক্ষাৰ প্ৰয়োজনতহে পশুৱে হত্যা কৰে। কিন্তু মানুহ?’ ৰূপম বৰুৱাই আকৌ ‘পশুৰ সপক্ষে একলম’ শীৰ্ষক এই লেখাটোতে লিখিছে – ‘মানুহৰ সমাজখনত লিখা পঢ়া বা বিদ্যা-চৰ্চা বোলা বিষয় এটা আছে। তাকে লৈ মানুহৰ গৰ্বৰো সীমা নাই । এই বস্তুটো পিছে আমি দেখাত পশু সমাজত নাই। সেয়ে বুদ্যা-বুদ্ধিত গংগাটোপ হৈ যদিভকোনোবাই একান্তই পশুক ইতৰ অৰ্থত জ্ঞান কৰি কাৰোবাক গালি শপনি পাৰি তৃপ্তি লভিব খোজে, তেন্তে তেওঁ লিখা পঢ়া নজনা বা সচৰাচৰ মানুহৰ বিবিধ বুদ্ধিৰ ভঁৰাল নোহোৱা ভোটা বুদ্ধিৰ কাৰোবাক

হয়তো আখ্যা দিব পাৰে (অৱশ্যে মই নিশ্চিত প্ৰকৃতাৰ্থত জ্ঞানীজনে এনে মানসিকতাও পৰিহাৰ কৰিব) ইয়াতকৈ আগবাঢ়ি পশু সমাজক অপমান কৰাৰ অধিকাৰ কাৰোৰে নাই।' ৰূপম বৰুৱাৰ এই কথাষাৰ প্ৰত্যেক মানুহেই হৃদয়ংগম কৰা উচিত।



পানী নাখালে যেনেদৰে আমি জীয়াই থাকিব নোৱাৰোঁ ঠিক তেনেদৰে সুৰক্ষিত প্ৰকৃতিৰ অবিহনেও আমি জীয়াই থাকিব নোৱাৰোঁ। কিয়নো পানী প্ৰকৃতিৰেই অংশ। গতিকে প্ৰকৃতি সুৰক্ষা কেৱল প্ৰকৃতি সংগঠন বা কেইজনমান মুষ্টিমেয় মানুহৰে নহয়, প্ৰত্যেকজন মানুহৰ ই নৈতিক কৰ্তব্য। এই কথা আমি উপলব্ধি নকৰিলে সততে সুধি থকা প্ৰশ্নটো উত্তৰ হৈ ধৰা দিব - বন্য কোন? - আমি মানুহবোৰ।



